# THE WORLD HERITAGE WEEK AT SARAIGHAT COLLGE

## আজিৰপৰা শৰাইঘাট মহাবিদ্যালয়ত বিশ্ব ঐতিহ্য সপ্তাহ

**দৈনিক অসমৰ প্ৰতিনিধি**

**চাংসাৰি, ১৮ নৱেম্বৰ ঃ** অসম চৰকাৰৰ খিলঞ্জীয়া আৰু জনজাতীয় বিশ্বাস, সংস্কৃতি বিভাগৰ সৌজন্যত, প্ৰত্নতত্ত্ব সঞ্চালকালয়ৰ উদ্যোগ আৰু শৰাইঘাট মহাবিদ্যালয়ৰ আভ্যন্তৰীণ মান নিৰ্ণায়ক কোষৰ সহযোগত কাইলৈ পৰা ২৫ নৱেম্বৰলৈ বিশ্ব ঐতিহ্য সপ্তাহ ২০২৫ পালন কৰা হ'ব। কাইলৈ দিনৰ ১০.৩০ বজাত উদ্বোধনী অনুষ্ঠানৰ আয়োজন কৰা হৈছে। এই অনুষ্ঠানত মুখ্য অতিথি হিচাপে কামৰূপ জিলাৰ অভিভাৱক মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, সন্মানীয় অতিথি মন্ত্ৰী যোগেন মহন, বিশিষ্ট অতিথি হিচাপে স্থানীয় বিধায়ক দিগন্ত কলিতা, বিভাগীয় সচিব মানস কলিতা, মুখ্যমন্ত্ৰীৰ বিশেষ কৰ্তব্যৰত বিষয়া হেমন্ত চৌধুৰী, কামৰূপ জিলাৰ আয়ুক্ত দেৱ কুমাৰ মিশ্ৰ আদি উপস্থিত থাকিব।